**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতবৰ্ষক ৰামৰাজ্য সদৃশ কৰি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

২।  প্ৰধানমন্ত্ৰীয়ে গুৰু টেগ বাহাদুৰৰ ৩৫০ সংখ্যক ছহিদ দিৱস উপলক্ষে আজি এটি স্মাৰক ডাক টিকট আৰু বিশেষ মুদ্ৰা জাৰি কৰে।

৩।  সমগ্ৰ দেশত কাইলৈ সংবিধান দিৱস উদযাপন কৰা হ'ব।

৪।  শেহতীয়া কেইটামান বছৰত দেশৰ জাহাজ নিৰ্মাণ ক্ষেত্ৰৰ কেইবাগুণো সম্প্ৰসাৰিত হৈছে বুলি প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে প্ৰকাশ কৰিছে। ***আৰু***

৫।  বৰ্ষাপাৰা টেষ্টত ভাৰত বিপৰ্যয়ৰ সন্মুখীন হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতবৰ্ষক ৰামৰাজ্য সদৃশ কৰি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ ধৰ্মধবজা উত্তোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। শ্ৰীৰামচন্দ্ৰ নিজেই মূল্যবোধৰ প্ৰতীক আছিল আৰু এতিয়াও তেওঁ দেশৰ প্ৰতিটো অংশতে বিদ্যমান বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, আমাৰ দেশখনক আমি ৰামৰাজ্যৰ ভাৰতৰ দৰে কৰি তুলিবলৈ বিচাৰো।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোডীয়ে আজি পবিত্ৰ শ্ৰীৰামজন্মভূমি মন্দিৰৰ শিখৰত গেৰুৱা পতাকা উত্তোলন কৰাৰ জৰিয়তে এই মন্দিৰৰ নিৰ্মাণ আনুষ্ঠানিকভাৱে সম্পূৰ্ণ হোৱা তথা সাংস্কৃতিক উদযাপন আৰু ৰাষ্ট্ৰীয় একতাৰ এটা নতুন অধ্যায়ৰ সূচনা কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমোদীয়ে সমগ্ৰ বিশ্ব সম্প্ৰতি ৰামময় হৈ পৰা বুলি উল্লেখ কৰি কয়, যে এই ধৰ্মধবজা কেৱল পতাকাই নহয়, বৰঞ্চ এয়া পুনৰ জাগৰণ এখন ধবজা আৰু ই ৰামৰাজ্যৰ নীতিক সাৰোগত কৰা এটা আৰম্ভণিৰ লগতে সংগ্ৰামৰ কাহিনীক প্ৰতিফলিত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ কুৰুক্ষেত্ৰত গুৰু টেগ বাহাদুৰৰ ৩৫০ সংখ্যক ছহিদ দিৱস উপলক্ষে ৰাজ্যিকভাৱে আয়োজিত এক বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই দিৱস উপলক্ষে শ্ৰীমোদীয়ে এটি স্মাৰক ডাক টিকট আৰু এটি মুদ্ৰা জাৰি কৰে। এই অনুষ্ঠানত হাৰিয়ানাৰ ৰাজ্যপাল অধ্যাপক অসীম কুমাৰ ঘোষ, হাৰিয়ানাৰ

মুখ্যমন্ত্ৰী নায়াব সিং চাইনী আৰু হাৰিয়ানাৰ শিখ গুৰুদ্বাৰ পৰিচালনা সমিতিৰ সভাপতি জগদীশ সিং জিণ্ডা উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰে টেগ বাহাদুৰৰ ৩৫০ সংখ্যক ছহিদ দিৱস পালন কৰিবলৈ বছৰযোৰা কাৰ্যসূচীৰে পালন কৰিবলৈ আগবাঢ়ি আহিছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যোতিসৰত মহাপ্ৰভু শ্ৰীকৃষ্ণৰ পবিত্ৰ শংখৰ সন্মানাৰ্থে নৱনিৰ্মিত পাঞ্চজন্য স্মৃতি সৌধ  উদ্বোধন কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে হায়দৰাবাদৰ জি এম আৰ আকাশক্ষেত্ৰ আৰু ঔদ্যোগিক উদ্যানৰ চফ্ৰান বিমান ইঞ্জিন মেৰামতি গোট উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে, এছ এ ই এছ আই  হৈছে চফ্ৰানৰ অত্যাধুনিক বিমান প্ৰপলচন ইঞ্জিনৰ বিশেষ তদাৰক, মেৰামতি আৰু সামগ্ৰিক নিৰীক্ষণ গোট। এই গোটটো ভাৰতত  গোলকীয় ইঞ্জিন মূল যন্ত্ৰাংশ নিৰ্মাণ প্ৰতিষ্ঠানে স্থাপন কৰা প্ৰথমটো তদাৰক, মেৰামতি আৰু সামগ্ৰিক নিৰীক্ষণ গোট। এই গোটটো বিমান পৰিবহন খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দিশে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ভাৰতীয় মহাকাশ ষ্টাৰ্টআপ স্কাইৰূটৰ ইনফিনিটি চৌহদ মুকলি কৰিব। ২ লাখ বৰ্গফুট এলেকা সামৰি নিৰ্মাণ কৰা এই অত্যাধুনিক পৰিসৰত কেইবাখনো প্ৰক্ষেপন যানৰ ডিজাইন বিকাশ আৰু পৰীক্ষণ  কৰা হয়। তেওঁ লগতে স্কাইৰুটৰ প্ৰথমটো পক্ষীয় ৰকেট বিক্ৰম ৱানো মুকলি কৰিব।

০০০০

দেশত কাইলৈ সংবিধান দিৱস উদযাপন কৰা হ'ব। এই বছৰৰ সংবিধান দিৱসৰ বিষয়বস্তু হৈছে হমাৰা সংবিধান-হমাৰা স্বাভিমান। এই দিৱসৰ মূল কাৰ্যসূচী নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত আয়োজিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰীসকল আৰু সাংসদসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ নেতৃত্বত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ উপৰি অসমীয়া, বড়ো,  মালায়ালম, নেপালী, পাঞ্জাৱী, কাশ্মীৰি, তেলেগু আৰু উড়িয়া ভাষাত সংবিধানৰ অনুদিত সংস্কৰণ উন্মোচন কৰা হ'ব। ইয়াৰ উপৰি এখন স্মাৰক পুস্তিকাও উন্মোচন কৰা হ'ব।

সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ২৬ নৱেম্বৰ দিনটো সংবিধান দিৱস হিচাপে ঘোষণা কৰাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০

শেহতীয়া কেইটামান বছৰত দেশৰ জাহাজ নিৰ্মাণ ক্ষেত্ৰৰ কেইবাগুণে সম্প্ৰসাৰিত হৈছে বুলি প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত সমুদ্ৰ উৎকৰ্ষ আলোচনাচক্ৰত ভাষণ দি শ্ৰীশেঠে এই আলোচনাচক্ৰক দেশৰ জাহাজ নিৰ্মাণ সামৰ্থ প্ৰতিফলিত কৰা গুৰুত্বপূৰ্ণ সমাৰোহ বুলি অভিহিত কৰে।  তেওঁ কয় যে সমুদ্ৰ উৎকৰ্ষ আলোচনাচক্ৰই জনসাধাৰণক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়ে আৰু জাহাজ নিৰ্মাণ তথা মেৰামতিৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তি  সৈতে ফেৰ মাৰিব পৰা সামৰ্থ প্ৰতিফলিত কৰে। এই আলোচনাচক্ৰই সামুদ্ৰিক উদ্যোগৰ ক্ষেত্ৰত ভাৰতৰ বৰ্ধিত আত্মবিশ্বাসৰ চিনস্বৰূপ  শেহতীয়া উদ্ভাৱনত আলোকপাত কৰে

মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে উদ্ভাৱন, দক্ষতা বিকাশ, সহযোগিতা আৰু ৰপ্তানী ক্ষেত্ৰৰ প্ৰতিযোগিতাত নিৰন্তৰ গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

০০০০

গোৱাত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত কিংবদন্তি অভিনেতা ধৰ্মেন্দ্ৰলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয় আৰু কথাছবি জগতলৈ তেওঁৰ অমূল্য অৱদানৰ বিষয়ে স্মৰণ কৰা হয়। ধৰ্মেন্দ্ৰ এগৰাকী মহান অভিনেতা আৰু অসাধাৰণ ব্যক্তিৰূপে অভিহিত কৰি  চলচিত্ৰ নিৰ্মাতা ৰাহুল ৰবেইলে কলাৰ প্ৰতি তেওঁৰ অভূতপূৰ্ব সমৰ্পন আৰু অনুৰাগৰ কথা স্মৰণ কৰে। শ্ৰীৰবেইলে মেৰা নাম জোকৰ আৰু বেটাবৰ দৰে চলচ্চিত্ৰ সৈতে জড়িত হৃদয়স্পৰ্শী স্মৃতিৰ বিষয়ে অৱগত কৰে আৰু ধৰ্মেন্দ্ৰৰ অক্লান্ত পৰিশ্ৰম আৰু চিনেমাৰ প্ৰতি গভীৰ প্ৰেমৰ বিষয়ে আলোকপাত কৰে।

০০০০

গোৱাত অনুষ্ঠিত ভাৰত আন্তৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আজি  গাওঁ শিতানত My dad invented the vadapav নামৰ  চাইনাত উস্কেইকৰ নিৰ্দেশিত ছুটি ছবিখন প্ৰদৰ্শন কৰা হয়। এই ছুটি ছবিখনত মুম্বাইৰ প্ৰসিদ্ধ ষ্ট্ৰীট ফুড বড়াপাৱৰ কাহিনী সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। বড়াপাৱ অকল এবিধ লঘু আহাৰে নহয় বৰং ই হৈছে মুম্বাই চহৰৰ শক্তি আৰু উদ্যম। ছুটি ছবিখনত ১৯৬০ চনত অশোক বৈদ্যই দাদৰ ষ্টেছনৰ সমীপত প্ৰথমবাৰৰ বাবে প্ৰস্তুত কৰা এই লঘু আহাৰ কিদৰে মুম্বাইৰ ব্যস্ত আৰু মিশ্ৰিত সংস্কৃতিৰ আদৰ্শ লঘু আহাৰৰূপে পৰিগণিত হৈছিল সেই বিষয়ে সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে।

০০০০

গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত ভাৰত বিপৰ্যয়ৰ সন্মুখীন হৈছে। চতুৰ্থ দিনটোত দক্ষিণ আফ্ৰিকাই  ৫ উইকেটৰ বিনিময়ত ২৬০ ৰান সংগ্ৰহ কৰি দ্বিতীয় ইনিংছ্ সমাপ্তিৰ কথা ঘোষণা কৰে আৰু ভাৰতক জয়ৰ বাবে ৫৪৯ ৰানৰ বিশাল লক্ষ্য বান্ধি দিয়ে। দক্ষিণ আফ্ৰিকাৰ হৈ দ্বিতীয় ইনিংছত ষ্ট্ৰিটান ষ্টাব্ছে সৰ্বাধিক ৯৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ ৰবীন্দ্ৰ জাডেজাই ৪টা আৰু ৱাশ্বিংটন সুন্দৰে এটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতে চতুৰ্থ দিনৰ খেলৰ সামৰণিৰ পৰলৈকে দুটা উইকেট হেৰুৱাই ২৭ ৰান সংগ্ৰহ কৰে। ভাৰত হাতত এটা দিন আৰু ৮ উইকেট থকা অৱস্থাত দক্ষিণ আফ্ৰিকাতকৈ সামগ্ৰিকভাৱে ৫২২ ৰানত পিছপৰি আছে।

ভাৰতৰ যশস্বী জয়ছোৱালে ১৩ আৰু কে এল ৰাহুলে ৬ ৰান কৰি পেভেলিয়নমুখি হয়। দিনান্তত ছাই সুদৰ্শনে ২ আৰু নৈশ প্ৰহৰী কুলদীপ যাদৱে ৪ ৰানত আউট নোহোৱাকৈ থাকে।

দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত ৪৮৯ ৰান আৰু ভাৰতে প্ৰথম ইনিংছত ২০১ ৰান সংগ্ৰহ কৰিছিল। দক্ষিণ আফ্ৰিকা বৰ্তমান শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ